জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

নং ঃ ১২৫/২০২০

জনতা কাৰ্ফিউ সৰ্বাত্মকভাৱে পালন কৰাৰ বাবে ৰাজ্যবাসীক কৃতজ্ঞতা জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

## জনতা কাৰ্ফিউৰ সময়মীমা উকলি যোৱাৰ পিছতো অন্ততঃ ২ সপ্তাহৰ বাবে অত্যন্ত জৰুৰী নহ'লে ঘৰৰ বাহিৰলৈ নাহিবলৈ ৰাজ্যবাসীক আহ্বান জনালে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২২ মাৰ্চ ঃ** কৰ'না ভাইৰাছ সংক্ৰমণৰ প্ৰতিৰোধৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আহ্বান জনোৱা জনতা কাৰ্ফিউ সৰ্বাত্মকভাৱে পালন কৰাৰ বাবে অসমবাসীক কৃতজ্ঞতা জ্ঞাপন কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। মুখ্যমন্ত্ৰী সোণোৱালে লগতে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি জনসেৱাত অবিৰতভাৱে নিয়োজিত হৈ থকা চিকিৎসক, নাৰ্ছ, স্বাস্থ্য কৰ্মী, আৰক্ষী, সুৰক্ষাকৰ্মী, সংবাদ মাধ্যমৰ লোকসকলকো কৃতজ্ঞতা জ্ঞাপন কৰিছে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কৰ'না ভাইৰাছৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে সতৰ্কতা আৰু সাৱধানতাৰ প্ৰয়োজন। কৰ'না ভাইৰাছৰ দ্বাৰা কোনো লোক যাতে আক্ৰান্ত হ'ব নোৱাৰে তাৰ বাবে ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। লগতে কাইলৈ পুৱা ৮ বজা পৰ্যন্ত এই জনতা কাৰ্ফিউ মানি চলাৰ বাবেও মুখ্যমন্ত্ৰীয়ে অসমৰ জনসাধাৰণক আহ্বান জনাইছে। তদুপৰি, জনতা কাৰ্ফিউৰ সময়সীমা উকলি যোৱাৰ পিছতো অন্ততঃ ২ সপ্তাহৰ বাবে অত্যন্ত জৰুৰী কাম নাথাকিলে ঘৰৰ বাহিৰ নহ'বলৈও মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক আহ্বান জনাইছে। মুখ্যমন্ত্ৰীয়ে কয় যে কৰ'না ভাইৰাছ সংক্ৰমণৰ ঘটনাই বিশ্বৰ মানৱ সভ্যতালৈ সংকট কঢ়িয়াই আনিছে। ইয়াৰ ভয়াৱহতা সকলোৱে উপলব্ধি কৰা উচিত। মুখ্যমন্ত্ৰীয়ে কয় যে অসমত এতিয়ালৈকে কোনো লোক কৰ'না ভাইৰাছৰ দ্বাৰা সংক্ৰমিত হোৱা নাই যদিও এই ক্ষেত্ৰত জনসাধাৰণে অত্যন্ত সজাগ-সচেতনতাৰে স্বাস্থ্য বিভাগে প্ৰদান কৰা নিৰ্দেশাৱলী পালন কৰি চলা উচিত।

মুখ্যমন্ত্ৰীয়ে কয় যে বাহিৰৰ পৰা যিসকল লোক আহিছে সেইসকল ব্যক্তিক স্বাস্থ্য বিভাগে নিৰীক্ষণ কৰি আছে। তৎসত্ত্বেও কোনোবা ব্যক্তিয়ে যদি নিজকে স্বাস্থ্য পৰীক্ষাৰ পৰা বিৰত ৰাখিছে, সেইসকল লোকক পৰিয়াল আৰু ৰাজ্যখনৰ স্বাৰ্থত শীঘ্ৰে স্বাস্থ্য কৰ্মীৰ হতুৱাই স্বাস্থ্য পৰীক্ষা কৰোৱাবলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য বিভাগৰ নীতি-নিৰ্দেশনা পালন কৰি নিজেই নিৰাপদে থকাৰ উপৰি ৰাজ্যবাসীক নিৰাপদে থকাৰ পদক্ষেপ ল'বলৈও আহ্বান জনায়। অসমৰ স্বাস্থ্য বিভাগে স্বাস্থ্য সম্পৰ্কীয় যিবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে তাক কঠোৰভাৱে মানি চলিবলৈও মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক আহ্বান জনাইছে। ই এক দীঘলীয়া যুঁজৰ আৰম্ভণিহে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

**পুঃডেঃ / বঃভাঃ / প্ৰঃকুঃবঃ**
**২২/০৩/২০২০**